যদি মই ফৰজ চালাতসমূহ আদায় কৰোঁ, ৰমাজান মাহৰ চিয়াম পালন কৰোঁ, হালালক হালাল আৰু হাৰামক হাৰাম হিচাপে মানি লওঁ

জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, কোনো এজন ব্যক্তিয়ে ৰাছুল চাল্লাল্লাহু আলাইহি অছাল্লামক প্ৰশ্ন কৰি ক'লে: “ যদি মই ফৰজ চালাতসমূহ আদায় কৰোঁ, ৰমাজান মাহৰ চিয়াম পালন কৰোঁ, হালালক হালাল আৰু হাৰামক হাৰাম হিচাপে মানি লওঁ, আৰু ইয়াতকৈ যদি
বেছি একো নকৰোঁ, তেনেহ'লে মই জান্নাতত প্রৱেশ কৰিব পাৰিমনে?” তেখেতে ক'লে: “হয়।”
ইয়াৰ পিছত সেই ব্যক্তিয়ে ক'লেঃ আল্লাহৰ শপত! মই ইয়াতকৈ বেছি একো নকৰোঁ।
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে এই কথা স্পষ্ট কৰিছে যে, যিয়ে পাঁচ ওৱাক্ত চালাত নিয়মিতভাৱে আদায় কৰিব, আৰু ইয়াৰ অতিৰিক্ত কোনো নফল আদায় নকৰিব, এইদৰে ৰমাজানৰ ৰোজা পালন কৰিব আৰু কোনো নফল ৰোজা নকৰিব, লগতে হালালক হালাল হিচাপে বিশ্বাস কৰি পালন কৰিব আৰু হাৰামক হাৰাম হিচাপে বিশ্বাস কৰি আঁতৰি থাকিব, সেই ব্যক্তিয়ে জান্নাতত প্ৰৱেশ কৰিব।

http://www.sunnah.global/hadeeth/as/show/65003